**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া মৰিচাছ্ ভ্ৰমণৰ অংশ হিচাপে দেশখনৰ প্ৰধানমন্ত্ৰী নবীচন্দ্ৰ ৰামগুলামৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত সমাজৰ বঞ্চিত আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নতি সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

৩। হোলী আৰু গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে যোৱাবছৰ ১৩ হাজাৰ ৫২৩ খন বিশেষ ৰে'লগাড়ী চলাচল কৰোৱা হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৪। পাকিস্তানত সুৰক্ষা বাহিনীয়ে বেলুচ লিবাৰেচন আৰ্মিৰ সদস্যই কালি ৪০০ গৰাকীৰো অধিক যাত্ৰীৰ সৈতে অপহৰণ কৰা ৰে'লগাড়ীখনৰ ডেৰশৰো অধিক পণবন্দীক উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে।

আৰু

৫। লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া মৰিচাছ্ ভ্ৰমণৰ অংশ হিচাপে দেশখনৰ প্ৰধানমন্ত্ৰী নবীচন্দ্ৰ ৰামগুলামৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। বৈঠকত প্ৰধানমন্ত্ৰীদ্বয়ে স্থানীয় মুদ্ৰাৰে বন্দোৱস্তি ব্যৱস্থা, ঋণ সুবিধা, কূটনীতিবিদসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী, অসামৰিক বাণিজ্যিক মালবাহী জাহাজৰ আহ-যাহ আৰু পৰিচয় সম্পৰ্কীয় তথ্যৰ আদান-প্ৰদান, বিত্তীয় অপৰাধ প্ৰতিহতকৰণ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া কোম্পানী ক্ষেত্ৰৰ সহযোগিতা, সু-শাসনৰ বাবে চৰকাৰী বিষয়াৰ প্ৰশিক্ষণ সম্পৰ্কীয় ৮ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰী দুগৰাকীয়ে লগতে বৈদ্যুতিন ব্যৱস্থাৰে ক্ষেত্ৰ স্বাস্থ্য কেন্দ্ৰ আৰু ২০ টা সমূহীয়া উন্নয়ন প্ৰকল্প মুকলি কৰে। শ্ৰী মোদীয়ে আজি ৰাষ্ট্ৰীয় দিৱস উদযাপনৰ অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে শ্ৰীমোদী কালি মৰিচাছৰ প্ৰধানমন্ত্ৰী নবীচন্দ্ৰ ৰামগুলামৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয়। বৈঠকত প্ৰধানমন্ত্ৰীদ্বয়ে দুয়োদেশৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বিষয় লৈ আলোচনা কৰে। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ সম্পৰ্কক নতুন শিখৰলৈ লৈ যোৱাৰ বাবে দ্বিপাক্ষিক সম্পৰ্কৰ লগতে সহযোগিতাৰ নতুন নতুন ক্ষেত্ৰৰ অন্বেষণ সন্দৰ্ভত আলোচনা কৰে। বৈঠকত প্ৰতিৰক্ষা, সুৰক্ষা, অৰ্থনীতি আৰু সাংস্কৃতিক বিনিময়ৰ বিষয়কেইটাই স্থান লাভ কৰে। শ্ৰীমোদীয়ে কয় যে মৰিচাছৰ উন্নয়নৰ নিৰ্ভৰযোগ্য সহযোগী হ'বলৈ পাই ভাৰতে গৌৰৱবোধ কৰে আৰু দুয়োখন দেশে গ্ল'বেল ছাউথ হিচাপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক উন্নয়নৰ দিশৰ পৰা তুলনামূলকভাৱে পিছপৰা ৰাষ্ট্ৰসমূহৰ বিভিন্ন বিষয়ৰ প্ৰসাৰৰ বাবে একেলগে কাম কৰি যাব। ইয়াৰ পাছত শ্ৰীমোদী প্ৰধানমন্ত্ৰী ৰামগুলামে আয়োজন কৰা নৈশভোজত অংশ লয়। তেওঁ কয় যে ভাৰত-মৰিচাছ্ অংশীদাৰিত্ব কেৱল

ইয়াৰ ঐতিহাসিক সম্পৰ্কই নহয়, বৰং এই সম্পৰ্ক মূল্যবোধ, পাৰস্পৰিক বিশ্বাস আৰু উজ্জ্বল ভৱিষ্যতৰ সমূহীয়া দৃষ্টিভংগীৰ ওপৰত আধাৰিত।

মৰিচাছত দুদিনীয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনত ভাৰতৰ পুঁজিৰে নিৰ্মাণ কৰা দক্ষতা বিকাশৰ পৰা আৰম্ভ কৰি আন্তঃগাঁথনিলৈকে বিভিন্ন খণ্ডৰ ২০টাৰো অধিক প্ৰকল্প মুকলি কৰিব। দুয়োখন দেশে যোগ্যতা বিকাশ, বাণিজ্য আৰু বিত্তীয় অপৰাধকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো সহযোগিতামূলক চুক্তিত স্বাক্ষৰ কৰাৰ আশা আছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সামগ্ৰিক তথা দীৰ্ঘস্থায়ী উন্নয়নৰ স্বাৰ্থত সমাজৰ বঞ্চিত আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নতি সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। চণ্ডীগড়ৰ পাঞ্জাব বিশ্ববিদ্যালয়ৰ ৭২ সংখ্যক সমাৰৰ্তন অনুষ্ঠানত অধ্যক্ষতা কৰি আজি তেওঁ এইদৰে মত প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংবেদনশীলতাৰ লগতে ৰাষ্ট্ৰৰ প্ৰতি প্ৰেমৰ মনোভাৱ থকা উচিত। শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱাৰ লগতে তেওঁলোকক ইতিবাচক মনোভাৱ পোষণ কৰি ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ প্ৰযুক্তিৰ অগ্ৰগতিৰ সৈতে নিজকে খাপ খুৱাই আগবাঢ়িবলৈ শ্ৰীমতী মুৰ্মুৱে পৰামৰ্শ দিয়ে। তেওঁ বিশ্ববিদ্যালয়খনক ইয়াৰ কৃতিত্বসমূহৰ বাবে প্ৰশংসা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে, বিশ্ববিদ্যালয়খনে প্ৰদান কৰা ডিগ্ৰীৰ প্ৰমাণপত্ৰ আগবঢ়াই প্ৰসিদ্ধ গণিতজ্ঞ ড° আৰ জে হন্স গিল আৰু সমাজকৰ্মী নিবেদিতা ৰঘুনাথ ভিড়েক সন্মানিত কৰে। ড° হন্সগিলে বিজ্ঞানৰ সন্মানীয় ডক্টৰেট আৰু নিবেদিতা ৰঘুনাথ ভিড়েক সাহিত্যৰ সন্মানীয় ডক্টৰেট উপাধি লাভ কৰে। আজিৰ সমাৰৰ্তন অনুষ্ঠানত হাৰিয়ানাৰ ৰাজ্যপাল বন্দাৰু দত্তাত্ৰেয়, পাঞ্জাবৰ ৰাজ্যপাল বানোৱাৰী লাল পুৰোহিত আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়েব সিং চাইনীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০০

———হোলী আৰু গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে যোৱাবছৰ ১৩ হাজাৰ ৫২৩ খন বিশেষ ৰে'লগাড়ী চলাচল কৰোৱা হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত শ্ৰী বৈষ্ণৱে কয়, যে দুৰ্গা পূজা, দীপাৱলী আৰু ষঠ্ পূজাৰ সময়ত অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণৰ বাবে যোৱা বছৰ পহিলা অক্টোবৰৰ পৰা ৩০ নৱেম্বৰলৈ প্ৰায় ৮ হাজাৰ ৰে'লগাড়ীৰ ব্যৱস্থা কৰা হয় আৰু ৰে'লগাড়ীসমূহৰ মাধ্যমেৰে প্ৰায় ১ কোটি ৮০ লাখ যাত্ৰীয়ে যাত্ৰা কৰে। মহাকুম্ভৰ সময়ত ৰে'ল বিভাগে ১৭ হাজাৰৰো অধিক ৰে'লগাড়ীৰ দিহা কৰা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০০

সুৰক্ষা বাহিনীয়ে পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ কচ্ছি জিলাৰ পৰা বেলুচ লিবাৰেচন আৰ্মিৰ সদস্যই কালি ৪০০ গৰাকীৰো অধিক যাত্ৰীৰ সৈতে অপহৰণ কৰা ৰে'লগাড়ীখনৰ ডেৰশৰো অধিক পণবন্দীক উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। সুৰক্ষা বাহিনীৰ অভিযানত জাফৰ এক্সপ্ৰেছ নামৰ ৰে'লগাড়ীখনৰ অপহৰণ কাণ্ডৰ সৈতে জড়িত ২৭ জন সন্ত্ৰাসবাদী নিহত হৈছে। উদ্ধাৰ কৰা যাত্ৰীসকলক ওচৰৰ মাচ চহৰলৈ লৈ যোৱা হৈছে। চহৰখনত উদ্ধাৰ কৰা যাত্ৰীসকললৈ চিকিৎসা সাহায্য আগবঢ়োৱাৰ বাবে অস্থায়ী হাস্পতাল স্থাপন কৰা হৈছে।

ইপিনে, বেলুচ লিবাৰেচন আৰ্মিয়ে সুৰক্ষা বাহিনীৰ অভিযানত সংগঠনটোৰ কোনো সদস্য হতাহত হোৱাৰ বাতৰি অস্বীকাৰ কৰিছে আৰু সেনা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৩০ জন সৈনিকে প্ৰাণ হেৰুওৱা বুলি দাবী

কৰিছে। পণবন্দীসকলক উদ্ধাৰ কৰাৰ বাবে অভিযান অব্যাহত আছে। প্ৰাপ্ত বাতৰি মতে আত্মঘাতী বোমাৰুৱে একাংশ পণবন্দীক ঢাল হিচাপে ৰাখিছে।

000000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ সংস্থা National Aeronautics and Space Administration -নাছাই গুৰুত্বপূৰ্ণ অভিযানৰ বাবে SPHEREX নামৰ এটা মহাকাশ দূৰবীণ উৎক্ষেপন কৰিছে। এই দূৰবীণ যন্ত্ৰটো কালি কেলিফৰ্ণিয়াৰ পৰা ৰকেটৰ জৰিয়তে উৎক্ষেপন কৰা হয়। ইয়াৰ যোগেদি সবিশেষৰ লগতে আকাশৰ মানচিত্ৰ প্ৰস্তুত কৰা হ'ব। SPHEREX নামৰ এই দূৰবীণটো পৃথিৱীৰ পৰা ৪০০ মাইল ওপৰৰ কক্ষপথত স্থাপন কৰা হ'ব আৰু দূৰবীণটোৱে হাজাৰ হাজাৰ তাৰকাপুঞ্জ অধ্যয়নৰ বাবে ইন্‌ফ্ৰাৰেড প্ৰযুক্তিৰ জৰিয়তে তথ্য আহৰণ কৰিব। বিজ্ঞানীসকলে এই অভিযানে হাজাৰ হাজাৰ পূৰ্বে কিদৰে তাৰকাপুঞ্জৰ গঠন হৈছিল আৰু মহানাদৰ পাছত ব্ৰহ্মাণ্ডৰ দ্ৰুত সম্প্ৰসাৰণৰ তথ্য আহৰণ কৰিব পৰা যাব বুলি বিজ্ঞানীসকলে আশা কৰিছে।

000000000

বিজেপিৰ সাংসদ দীনেশ শৰ্মাই ভাষাৰ প্ৰসংগক লৈ বিতৰ্কৰ সূচনা কৰা বাবে ডি এম কে দলক সমালোচনা কৰিছে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ জৰিয়তে চৰকাৰে আঞ্চলিক ভাষাসমূহৰ প্ৰসাৰ সাধনৰ হকে ব্যৱস্থা লোৱা বুলি দাবী কৰি তেওঁ কয়, যে দলটোৱে উন্নয়নমূলক কাম-কাজসমূহৰ পৰা জনসাধাৰণৰ দৃষ্টি আঁতৰোৱাৰ চেষ্টাৰে তামিলনাডুত ভাষাৰ প্ৰসংগটো উত্থাপন কৰিছে। সংসদ ভৱনৰ বাহিৰত আহি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয়, যে ৰাজ্যখনত ডি এম কেৰ প্ৰতিজন সমৰ্থন ক্ৰমাৎ হ্ৰাস পাই অহাৰ লগতে দলটোৰ কাৰ্য-কলাপত তামিলনাডুৰ জনসাধাৰণ ক্ষুব্ধ হৈ পৰিছে।

000000000

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কালি গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাই সোমবাৰে গুৱাহাটীৰ জৰ্জ ফিল্ডত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত গ্ল'বেল ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

000000

গুলমাৰ্গৰ বাৰামুল্লাত অনুষ্ঠিত চলিত বৰ্ষৰ খেল' ইণ্ডিয়া শীতকালীন ক্ৰীড়া মহোৎসৱৰ দ্বিতীয় পৰ্যায়ৰ আজি সামৰণি পৰিব। যোৱা ২৩ৰ পৰা ২৭ জানুৱাৰীলৈ লাডাখত এই প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ৰ খেলসমূহ সফলতাৰে সম্পন্ন হয়।

000000000

সমাপ্ত